**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-Aug-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

প্ৰধানমন্ত্ৰী কৃষক শক্তি সুৰক্ষা আৰু উত্থান মহা অভিযান অৰ্থা পি এম কুসুম আঁচনিৰ জিলা পৰ্যায়ৰ ৰূপায়ণ আৰু নিৰীক্ষণ সমিতিৰ বৈঠক কালি ডিব্ৰুগড়ত অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত এই আঁচনিখনৰ ৰূপায়ণৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে দেশৰ কৃষকসকলে সৌৰ পাম্প আৰু গ্ৰীড সংযুক্ত সৌৰশক্তি আৰু অন্যান্য নৱীকৰণযোগ্য শক্তি কেন্দ্ৰ স্থাপনৰ বাবে আৰ্থিক সাহায্য লাভ কৰিব পাৰে। কৃষকসকলক জলসিঞ্চনৰ ক্ষেত্ৰত সৌৰশক্তিৰ ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা আৰু গ্ৰামাঞ্চলত নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে এই আঁচনি ৰূপায়ণ কৰা হৈছে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেড এ পি ডি চি এলে ৰাজ্যখনত এই আঁচনি ৰূপায়ণৰ কাৰ্যকৰী সংস্থা হিচাপে কাম কৰিছে।

oooooo

অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনিৰ বাবে বাছনি লাভ কৰা চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ ৩১ হাজাৰতকৈ অধিক হিতাধিকাৰীক কালিৰে পৰা অনুমোদন পত্ৰ প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰীৰ সুলভ ইন্ধন আঁচনিৰ প্ৰ-পত্ৰসমূহো প্ৰতিটো অৰুণোদয় পৰিয়াললৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। পঞ্চায়ত সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য, জিলা পৰিষদৰ সদস্য সকলে অৰুণোদয় বাছনি সমিতিৰ চাৰিগৰাকী সদস্যৰ সৈতে হিতাধিকাৰীসকলৰ ঘৰে ঘৰে গৈ অৰুণোদয়ৰ অনুমোদন পত্ৰসমূহ বিতৰণ কৰিব বুলি চাবুৱাৰ বিধায়ক পোনাকন বৰুৱাই কালি প্ৰকাশ কৰে।

oooooo

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিধানসভা ভিত্তিত অনুষ্ঠিত হ'বলগীয়া মেগা স্বাস্থ্য বিধি সন্দৰ্ভত জিলা পৰ্যায়ৰ কৰ্ম বাহিনীৰ দল গঠন কৰাৰ লগতে বিভাগীয় নীতি-নিয়ম সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত জিলাখনৰ বিধানসভা সমষ্টিৰ ভিত্তিত মেগা স্বাস্থ্য অভিযানৰ আৰম্ভণি আৰু ৰূপায়ণ সন্দৰ্ভত নীতি নিৰ্ধাৰণ কৰা হয়। এই বৈঠকত স্বাস্থ্য বিভাগৰ সহ-আয়ুক্ত, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালককে ধৰি জিলা স্বাস্থ্য বিষয়া আৰু ৰাজ্য চৰকাৰৰ কেইবাটাও বিভাগৰ বিষয়া-প্ৰতিনিধি উপস্থিত থাকে।

oooooo

হোজাই জিলাৰ খাৰিখানা বিলগাঁৱত কালি খাদ্যত বিষক্ৰিয়া হৈ শিশু-মহিলাসহ ২০ গৰাকী লোক অসুস্থ হয়। বিলপাৰ গাঁৱত পূজাৰ প্ৰসাদ খোৱাৰ পাছতে শিশু-মহিলাকে ধৰি লোকসকল অসুস্থ হয়। পূজাৰ প্ৰসাদ খোৱাৰ পাছতে গাঁওবাসীৰ মাজত পেটৰ বিষ, বমি, শৌচ আদি লক্ষণ দেখা গৈছে। লগে লগে অসুস্থ লোকসকলক

লংকাৰ জোৰা পুখুৰী জিলা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। বৰ্তমানে চিকিৎসালয়খনত শিশু-মহিলাসহ কেইবাজনো লোক চিকিৎসাধীন হৈ আছে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ খহনীয়াই ডিব্ৰুগড়লৈ ভাবুকি কঢ়িয়াই আনিছে। ডিব্ৰুগড়ৰ মাইজান ঠাকুৰবাৰী ব্ৰহ্মপুত্ৰৰ তীব্ৰ গৰা খহনীয়াত পৰিছে। বিগত এসপ্তাহত ব্ৰহ্মপুত্ৰৰ খৰস্ৰোতা সোঁতে ৮০ মিটাৰ অৱশিষ্ট ভূমিৰ লগতে অঞ্চলটোৰ বহুকেইটা ঘৰ উটুৱাই নিয়ে। খহনীয়াৰ বাবে ঠাকুৰবাৰীৰ নৈপৰীয়া ৰাইজে সেই অঞ্চল ত্যাগ কৰি অন্য স্থানত আশ্ৰয় লৈছে। ব্ৰহ্মপুত্ৰৰ এই খহনীয়াই ডিব্ৰুগড়ৰ সুৰক্ষা বান্ধৰ প্ৰতিও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। এই সুৰক্ষা বান্ধ বিচ্ছিন্ন হ'লে নগৰখনত ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে বানৰ সৃষ্টি কৰিব। ইয়াৰ কাষতেই ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়কে ধৰি অসম চিকিৎসা মহাবিদ্যালয় চৌহদৰ লগতে ডিব্ৰুগড় বিমান বন্দৰ আছে। ব্ৰহ্মপুত্ৰৰ খহনীয়াই এতিয়া এই অঞ্চললৈ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। জলসম্পদ বিভাগে দিনে-নিশাই গৰা খহনীয়া প্ৰতিৰোধৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। বিভাগটোৱে খহনীয়াগ্ৰস্ত অঞ্চলত জিঅ' বেগ আৰু পাৰ্কুপাইন ব্যৱস্থাৰে খহনীয়া ৰোধৰ চেষ্টা চলাইছে যদিও ব্ৰহ্মপুত্ৰৰ সোঁতে এই জিঅ'বেগসমূহ উটুৱাই নিছে। বিগত কিছুদিন ধৰি অসমৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত নেৰা-নেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পাইছে। ফলত ডিব্ৰুগড় চহৰৰ উপৰি উজনি অসমৰ ভিন্ন প্ৰান্তত গৰা খহনীয়াৰ লগতে বান সমস্যাই দেখা দিছে।

০০০০০০

অসম বেডমিণ্টন সন্থাই আজিৰে পৰা ৩০ আগষ্টলৈ ৰাজ্যৰ চাৰিখন জিলাত অস্মিতা চিটী বেডমিণ্টন লীগৰ আয়োজন কৰিছে। সন্থাৰ সম্পাদক ওমৰ ৰছিদে কালি সংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটী, শিৱসাগৰ, যোৰহাট আৰু ডিব্ৰুগড়ত খেলোৱা হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ে দেশত মহিলা খেলুৱৈসকলৰ প্ৰতিভা বিকাশ আৰু উত্তৰণৰ লক্ষ্যৰে অস্মিতা আঁচনি গ্ৰহণ কৰি বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাত ছোৱালীৰ ১৫, ১৭ আৰু ১৯ বছৰ অনূৰ্ধ একক শাখাৰ খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ সূচী অনুসৰি আজিৰে পৰা ২২ আগষ্টলৈ গুৱাহাটীত, ২৪ৰ পৰা ২৬ আগষ্টলৈ শিৱসাগৰত, ২৬ৰ পৰা ২৮ আগষ্টলৈ যোৰহাটত আৰু ২৮ৰ পৰা ৩০ আগষ্টলৈ ডিব্ৰুগড়ত অস্মিতা চিটী বেডমিণ্টন লীগৰ খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত